# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

**Date :** 06-04-2024
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**:::::::::::::::::::::::::::::::::**

১। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ তিতাবৰ, মৰিয়নি, আমগুৰি আৰু নাজিৰাত প্ৰচাৰ সভাত অংশগ্ৰহণ। কাইলৈ কংগ্ৰেছ নেতা জীতেন্দ্ৰ সিঙৰ বিভিন্ন প্ৰচাৰ সভাত অংশগ্ৰহণ।

২। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ গোলাঘাট জিলাৰ নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা।

৩। ভাৰতীয় জনতা পাৰ্টীৰ আজি ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতা-কৰ্মীসকলক অভিনন্দন।

৪। বিশিষ্ট সাহিত্যিক, অভিধান প্ৰণেতা, ভূ-তত্ববিদ ড০ প্ৰনৱ জ্যোতি ডেকাৰ দেহাৱসান।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাজস্থান ৰয়েলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যতো ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ পৰিছে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিতাবৰৰ বোকাহোলা চাহ বাগিচাত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সমবেত ৰাইজক উদ্দেশ্যে দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন বিজেপি চৰকাৰৰ দিনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলক বিশ্বৰ সন্মুখত পৰিচিত কৰিবলৈ ভালেমান পদক্ষেপ লোৱা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীৰ ২৬ বাৰ অসম ভ্ৰমণে অসমৰ বিভিন্ন পৰ্যটনক্ষেত্ৰসমূহ বিশ্ববাসীক চিনাকি কৰাই দিয়া বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে। স্বাধীনোত্তৰ ভাৰতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনেহে অসম তথা অসমৰ সংস্কৃতিক যথোপযুক্ত সন্মান আগবঢ়োৱা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই দাবী কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, পূৰ্বে উগ্ৰপন্থী সমস্যাৰে পূৰ্ণ এখন ৰাজ্য হিচাপে চিহ্নিত অসম বিজেপি চৰকাৰৰ সক্ৰিয় সহযোগত স্থায়ী শান্তি আৰু সমৃদ্ধিৰে পৰিপূৰ্ণ ৰাজ্য হিচাপে পৰিগণিত হৈছে।

**বাইট চি এম**

ইয়াৰ পিছত মুখ্যমন্ত্ৰীগৰাকীয়ে যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ মৰিয়নি, নাজিৰা আৰু আমগুৰিতো নিৰ্বাচনী প্ৰচাৰ চলায়।

ইফালে ৰাজ্যৰ যোগান মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি গোসাঁইগাঁৱত এন ডি এৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰ চলায়। গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰি সমূহীয়া ভৱনত আয়োজিত বিজেপি, ইউ পি পি এল আৰু অগপৰ জনসম্পৰ্ক অভিযান কাৰ্যসূচীত উপস্থিত থাকি মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপিৰ চৰকাৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিছে বুলি দাবী কৰে। বিজেপি নেতৃত্বাধীন এন ডি এয়ে সেৱাৰ মনোভাৱেৰে ক্ষমতালৈ আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, এই সেৱাৰ মনোভাৱে জনসাধাৰণৰ আস্থাক আকৌ জয় কৰিব।

শিৱসাগৰত জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই হাফলুটিং নামঘৰ প্ৰেক্ষাগৃহ, কুকুৰাচোৱা চোমদাৰ গাঁও আৰু দিখৌমুখত তিনিখনকৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। চৰাইদেউ জিলাত যোৰহাট সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ দলটোৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই নিৰ্বাচনী প্ৰচাৰ চলায়।

আনহাতে কাজিৰঙাত বিজেপিৰ প্ৰভাৰী অভিমন্যু সিঙে সাংবাদিকক সম্বোধন কৰি কয় যে, বিকাশ আৰু প্ৰগতিক মূলমন্ত্ৰ হিচাপে লৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱা দলটোৱে এইবাৰ অসমৰ সংখ্যালঘু লোকসকলকো আকৰ্ষণ কৰিব পাৰিছে।

শোণিতপুৰতো বিজেপিৰ প্ৰাৰ্থী ৰঞ্জিত দত্তই ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত বৰজুলি, দুৰুং, জামুনবিল আৰু ফুলবাৰীকে ধৰি চাহ বাগিচা তথা অন্যান্য অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলায়। মৰিগাঁৱতো মৰিগাঁও জিলা গোটৰ উদ্যোগত জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত চাকোমাকো, ডোঙাবৰি আৰু হাউলাভেটিত বিজেপিৰ বিশাল প্ৰচাৰ সভা অনুষ্ঠিত হয়। বাক্সা জিলাৰ ঢেকীয়াজানীতো আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে জয়ন্ত বসুমতাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়।

ইফালে ভাৰতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিং আলোৱাৰে কাইলৈ নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ অসমত উপস্থিত হ'ব। নেতাগৰাকীয়ে গুৱাহাটী, ডিব্ৰুগড়ৰ খোৱাং, গোলাঘাট আৰু যোৰহাটত নিৰ্বাচনী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

যোৰহাটত কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰি অসমৰ চহকী ঐতিহ্য আৰু বৈচিত্ৰপূৰ্ণ সংস্কৃতিৰ সহৱস্থানৰ বিষয়ে উল্লেখ কৰি কয় যে, অঞ্চলটোৰ শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ বাবে কাম কৰিবলৈ তেওঁ দৃঢ় সংকল্পবদ্ধ।

নলবাৰীত বৰপেটা লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী দ্বীপ বায়নে ৰাজীৱ ভৱনত অনুষ্ঠিত এখন সভাত সাংবাদিকক সম্বোধন কৰি কয় যে, অসমৰ জনসাধাৰণে এইবাৰ গণতন্ত্ৰ ৰক্ষাৰ হকে ভোটদান কৰিব। আনহাতে বৰপেটা জিলাৰ চেঙাৰ গোমাফুলবাৰীত কংগ্ৰেছ দলৰ এখন বিশাল যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। ধুবুৰী লোকসভা সমষ্টিৰ প্ৰাৰ্থী ৰকিবুল হুছেইনে অংশগ্ৰহণ কৰা কাৰ্যসূচীটোত বিজেপি আৰু এ আই ইউ ডি এফৰ বহুসংখ্যক লোকে কংগ্ৰেছত যোগদান কৰে। এ আই ইউ ডি এফৰ প্ৰতিষ্ঠাপক নেতা ইলিমউদ্দিন দেৱানেও এই কাৰ্যসূচীত কংগ্ৰেছত যোগদান কৰে। ধুবুৰী লোকসভা সমষ্টিৰ প্ৰাৰ্থী ৰকিবুল হুছেইনৰ লগতে বিধায়ক জাকিৰ হুছেইন শিকদাৰ, আব্দুল ৰহিম আহমেদ, দিগন্ত বৰ্মন আৰু বৰপেটা জিলাৰ কংগ্ৰেছৰ সভাপতি ৰফিকুল ইছলামে নতুনকৈ যোগদান কৰা কৰ্মীসকলক দলটোত আদৰণি জনায়।

ইফালে তামুলপুৰ জিলাতো বিটিচিৰ প্ৰাক্তন মুখ্যকাৰ্যবাহী তথা বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে ওদালগুৰি সমষ্টিৰ বিপিএফ দলৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

আনহাতে ডিব্ৰুগড় সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বাসগৃহত উপস্থিত হৈ মন্ত্ৰীগৰাকীৰ পৰিয়ালৰ সৈতে মত বিনিময় কৰে। এই সন্দৰ্ভত প্ৰাৰ্থীগৰাকীয়ে কয় যে, নিৰ্বাচনী যুঁজৰ উৰ্ধত জ্যেষ্ঠ আৰু কনিষ্ঠৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ তেওঁ দায়বদ্ধ।

০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি কাজিৰঙা সংসদীয় সমষ্টিৰ অন্তৰ্গত গোলাঘাট নিৰ্বাচনী জিলাত উপস্থিত হৈ জিলাখনত বিভিন্ন নিৰ্বাচন সম্বন্ধীয় প্ৰস্তুতিৰ বুজ লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰথমে জিলাখনৰ নিৰ্বাচনী কোষসমূহৰ দায়িত্বত থকা বিষয়াসকলৰ লগত এখন বৈঠকত মিলিত হয়। কোষসমূহৰ কামকাজৰ খতিয়ান লৈ বিষয়াগৰাকীয়ে সমাগত নিৰ্বাচন সম্পূৰ্ণ স্বচ্ছ, দুৰ্নীতিমুক্ত, শান্তিপূৰ্ণ তথা সুচাৰুৰূপে ৰূপায়ণ কৰিবলৈ সকলোকে আহ্বান জনায়। ইয়াৰ বিষয়াগৰাকীয়ে নিৰ্বাচনী জিলাখনৰ ৰেৰহাউছ, ষ্ট্ৰং ৰুম, সামগ্ৰী বিতৰণ কেন্দ্ৰ আৰু ভোটগণনা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি সকলো প্ৰস্তুতিৰ বুজ লয়।

০০০০

ভাৰতীয় জনতা পাৰ্টিৰ আজি ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে দলটোৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে জ্যেষ্ঠ নেতা অমিত শ্বাহ আৰু ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰসাদ নাড্ডাই দলীয় নেতা-কৰ্মীসকলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত আজি প্ৰধানমন্ত্ৰী মোদীয়ে দলৰ উত্তৰণত তেওঁলোকৰ কষ্ট, সংঘাত আৰু ত্যাগৰ বাবে ধন্যবাদ জনায়। তেওঁ উল্লেখ কৰে যে এন ডি এৰ এটা প্ৰধান অংশ হিচাপে দলে গৌৰৱ অনুভৱ কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিজেপিক দেশৰ সৰ্ববৃহৎ ৰাজনৈতিক দল হিচাপে গঢ় দিয়াৰ বাবে দলীয় কৰ্মীসকলক ধন্যবাদ জনায়। দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই দেশজুৰি দলক শক্তিশালী কৰাৰ বাবে জ্যেষ্ঠ নেতাসকলক কৃতজ্ঞতা জনায়। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইতো দলীয় কৰ্মকৰ্তাসকলে বিভিন্ন অনুষ্ঠান আয়োজন কৰে। ডিব্ৰুগড় জিলাত প্ৰতিষ্ঠা দিৱস উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে পতাকা উত্তোলন কৰে। জিলা বিজেপিৰ সভাপতি উজ্জ্বল কাশ্যপৰ উপস্থিতিত অনুষ্ঠিত কাৰ্যসূচীত ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাপক শ্যামাপ্ৰসাদ মুখাৰ্জী আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীক স্মৰণ কৰা হয়। দৰং জিলা বিজেপিৰ কাৰ্যালয়তো বিশেষ যোগদান কাৰ্যসূচী আয়োজন কৰা হয়। বৰপেটা জিলাতো প্ৰতিষ্ঠা দিৱসৰ অংশ হিচাপে জিলা কাৰ্যালয়ৰ পৰা এটা পদযাত্ৰা উলিওৱা হয়। ইফালে গুৱাহাটীতো গুৱাহাটী মহানগৰ জিলা কাৰ্যালয়ত ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত দলটোৰ ইতিহাস, সাফল্য আৰু উদ্দেশ্য তথা আকাংক্ষা বিষয়ক আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। নলবাৰী জিলাতো নলবাৰী জিলা কাৰ্যালয়সহ ১২টা মণ্ডল কাৰ্যালয় আৰু বুথ সভাপতি আৰু দলীয় কৰ্মীসকলৰ ঘৰে ঘৰে উৎসৱমুখৰ পৰিৱেশত দলীয় পতাকা উত্তোলন কৰি প্ৰতিষ্ঠা দিৱস পালন কৰে।

০০০০

অসমৰ বিশিষ্ট গল্পকাৰ, গৱেষক, সাহিত্যিক, অভিধান প্ৰণেতা ভূতত্ত্ববিদ ড° প্ৰণৱজ্যোতি ডেকাৰ আজি দেহাৱসান ঘটে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতত্ত্ব বিভাগৰ অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা সাহিত্যিকগৰাকীয়ে ৰাজ্যখনৰ বৌদ্ধিক ক্ষেত্ৰত কেইবাদশক ধৰি সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। জ্যোতি দ্বিভাষিক অভিধানৰ প্ৰণেতা ড° ডেকাই বিগত বৰ্ষত শ্ৰেষ্ঠ গল্প নামৰ গল্প সংকলনৰ বাবে সাহিত্য একাডেমী বঁটাৰে সন্মানিত হৈছে। সোণৰ চামুছ মুখত লৈ শীৰ্ষক বিক্ষিপ্ত আত্মজীৱনী গ্ৰন্থৰে অনুৰাগীক আপ্লুত কৰাত

সাহিত্যিকগৰাকীয়ে ২০২২ বৰ্ষত অসম প্ৰকাশন পৰিষদৰ সাহিত্য বঁটাও লাভ কৰিছে। ১৯৩৯ চনৰ ২১ জুলাইত জন্মগ্ৰহণ কৰা সাহিত্যিকগৰাকীয়ে শৈশৱ কালছোৱা পিতৃ তথা প্ৰথম অসমীয়া উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আৰু সাহিত্যিক হলিৰাম ডেকাৰ সৈতে তেতিয়াৰ কলিকতাত অতিবাহিত কৰিছিল। কটন কলেজৰ পৰা আই এ আৰু বেনাৰছ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ভূতত্ব বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ডেকাই পাছলৈ ৰাছিয়াৰ লেনিনগ্ৰ্যাদ খনি বিদ্যালয়ৰ পৰা অৰ্থনৈতিক ভূতত্ব বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। ১৯৬৬ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতত্ব বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰি বিশ্ববিদ্যালয়খনৰ পৰাই অৱসৰ গ্ৰহণ কৰে। মৌলিক সাহিত্যৰ লগতে গৱেষণামূলক সাহিত্যৰ সৃষ্টিৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰা তীক্ষ্ণধীৰ লেখক গৰাকীয়ে চৰ্যাগীত আৰু বৌদ্ধ তন্ত্ৰৰ লগতে বিভিন্ন ধৰ্মীয় বিষয়ক বৈজ্ঞানিক দৃষ্টিভংগীৰে বিচাৰ কৰি এলানি গ্ৰন্থ ৰচনা কৰিছিল। সাহিত্যিকগৰাকীৰ বিয়োগত সমগ্ৰ ৰাজ্যজুৰি শোকৰ ছাঁ পৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাহিত্যিকগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে তেওঁৰ বিয়োগ জাতীয় জীৱনৰ বাবে বৃহৎ ক্ষতি বুলি অভিহিত কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও সাহিত্যিকগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰি তেওঁৰ মৃত্যু সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰে।

oooo

দৰঙৰ প্ৰাক্তন আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়ক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে আজি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে দৰং জিলাৰ ধূলাত এগৰাকী কিশোৰীক ধৰ্ষণ কৰি  হত্যা কৰাৰ পাছত এই ঘটনা আত্মহত্যাৰ ৰূপ দিবলৈ চেষ্টা চলোৱাৰ অভিযোগত সেই সময়ৰ দৰঙৰ আৰক্ষী অধীক্ষক ৰায়ক গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁৰ লগতে ধূলা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৰাসহ কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰা হয়। অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে সমগ্ৰ ঘটনাৰ তদন্ত কৰি আৰক্ষী বিষয়া দুগৰাকীৰ লগতে আন লোককেইজনক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছৰে পৰা নিলম্বিত হৈ থকা আৰক্ষী অধীক্ষক গৰাকীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। যোৱা বছৰৰ জুলাই মাহত অপৰাধ অনুসন্ধান বিভাগে আৰক্ষী অধীক্ষকগৰাকীৰ লগতে অন্যান্যসকলৰ বিৰুদ্ধে আদালতত অভিযোগনামা দাখিল কৰিছিল।

oooo

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ মাজত মাথো ছটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। গ্ৰামাঞ্চলত জীয়ৰী-বোৱাৰীয়ে হেপাহৰ বিহুৱানখন বৈ উলিয়াইছে। তদুপৰি বিহুৰ বাবে জা-জলপান, পিঠা-পনা, প্ৰস্তুত কৰি অতিথিক আপ্যায়ন কৰিবলৈ সকলো সাজু হৈছে। গাঁওসমূহৰ লগতে গুৱাহাটী মহানগৰীতো ৰঙালী বিহুৰ বাবে আখৰাত শিল্পীসকল ব্যস্ত হৈ পৰিছে। ঠায়ে ঠায়ে বিহুনাচ, ঢোলবাদন আদিৰ আখৰা অনুষ্ঠিত হৈছে। শিশুৰ পৰা ডেকা-গাভৰুলৈ বহু লোকে বিহুৰ আখৰাত অংশ লৈছে। আনহাতে, বিভিন্ন স্থানত মঞ্চ বিহু উদযাপনৰ বাবেও প্ৰস্তুতি অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ ঐতিহ্যমণ্ডিত লতাশিল খেলপথাৰ, ভৰলুমুখ, গণেশগুৰি, চানমাৰি, বেলতলাৰ লগতে বিভিন্ন স্থানত ২ - ৩ দিনীয়াকৈ মঞ্চ বিহু উদযাপন কৰা হব। ইয়াৰ সৈতে সংগতি ৰাখি বিহু নাচ, ঢোল বাদন আৰু বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

ধুবুৰী জিলাৰ বহলপুৰত ৭ দিনীয়া কাৰ্যসূচীৰে ৰঙালী বিহু আৰু  কোচ ৰাজবংশীসকলৰ বিচুৱা উদ্‌যাপন কৰা হ'ব। বহলপুৰ আঞ্চলিক ৰঙালী বিহু উদযাপন সমিতি আৰু চিলাৰায় সমাজ কল্যাণ  বিভাগৰ উদ্যোগত গোৱালপৰীয়া লোকনৃত্য আৰু কোচ ৰাজবংশীসকলৰ জনগোষ্ঠীয় নৃত্যৰ কৰ্মশালা অনুষ্ঠিত হৈছে। এই

কৰ্মশালাত অঞ্চলটোৰ ভালেসংখ্যক কিশোৰী আৰু মহিলাই অংশগ্ৰহণ কৰিছে। ইপিনে, বিশ্বনাথ জিলাৰ বিভিন্ন অঞ্চলত ৰঙালী বিহুৰ বাবে প্ৰস্তুতি চলিছে। অঞ্চলটোৰ ককিলাগুৰিৰ একাংশ মহিলাই পৰিয়ালৰ বাবে প্ৰস্তুত কৰাৰ লগতে বিহুৰ পিঠা-লাৰু, জলপান আদি বিক্ৰীৰো ব্যৱস্থা কৰিছে। ভালেমান অঞ্চলত আত্মসহায়ক গোটসমূহেও বিহুৰ পিঠা-পনা, অন্যান্য থলুৱা খাদ্য, সাজ-পাৰ, লোকবাদ্য আদিৰ বিপনীও মুকলি কৰিছে। ৰঙালী বিহুৰ সমান্তৰালকৈ বড়ো জনগোষ্ঠীৰ লোকসকলে ৰংজালি বৈশাগু পালনৰ বাবেও সাজু হৈছে। বিটিআৰৰ বড়ো জনগোষ্ঠীৰ লোকসকলে এই উৎসৱ পালনৰ বাবে প্ৰস্তুতি চলোৱাৰ লগতে ওৰাঙৰ কলাগুৰু বিষ্ণুৰাভা স্নাতক মহাবিদ্যালয়ক প্ৰাক ৰঙালী বৈশাগু পালন কৰা হৈছে।

০০০০

সমাগত লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ বিভিন্ন প্ৰশিক্ষণ আৰু সজাগতামূলক কাৰ্যসূচীসমূহ ৰাজ্যজুৰি অব্যাহত ৰখা হৈছে। এই উপলক্ষে মঙলদৈ জিলা পুথিভঁৰালত সূক্ষ্ম পৰ্যবেক্ষকসকলৰ এখন দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। জিলাখনৰ তিনিটা বিধানসভা সমষ্টিত নিয়োগ কৰা ২৫৯ জন সূক্ষ্ম পৰ্যবেক্ষকক এই কাৰ্যসূচীত প্ৰশিক্ষণ দিয়া হয়। ইতিমধ্যে জিলাখনৰ দলগাঁও, মঙলদৈ আৰু ছিপাঝাৰ বিধানসভা সমষ্টিৰ ভোটগ্ৰহণকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হৈছে।

ইফালে জিলাখনত ভোটদাতা ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু ভোটগ্ৰহণত অংশগ্ৰহণ কোষ অৰ্থাৎ ছুইপে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। জিলাখনত তিনিটা বিধানসভা সমষ্টিত মুঠ ৮৩৫টা ভোটগ্ৰহণ কেন্দ্ৰ আছে বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০

হাইলাকান্দি জিলাৰ ছুইপ অৰ্থাৎ পদ্ধতিগত ভোটাৰ শিক্ষণ তথা সজাগতা কাৰ্যসূচীৰ অধীনত জিলাখনৰ কাটলিচৰা অঞ্চলত আজি এখন বিশেষ ভোটাৰ সজাগতা সভাৰ আয়োজন কৰা হয়। কাটলিচৰা মহকুমা ক্ৰীড়া সংস্থা আৰু হাইলাকান্দি জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ সহযোগত আয়োজিত অনুষ্ঠানত নতুন ভোটাৰসকলক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰিবলৈ সজাগতা ৰেলী আৰু বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ৰেলীত স্থানীয় জনসাধাৰণৰ লগতে ক্ৰীড়া ব্যক্তিত্ব সকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত ভোটদানৰ আৱশ্যকতা সন্দৰ্ভত ভোটাৰসকলক অৱগত কৰাৰ লগতে ভোটদানৰ সুবিধাৰ্থে নিৰ্বাচন আয়োগে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়েও জানিবলৈ দিয়া হয়।

০০০০

ডিফু লোকসভা সমষ্টিৰ নিৰ্বাচনৰ কামকাজৰ পৰ্যবেক্ষণৰ উদ্দেশ্যেৰে নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষক জয়দ্বীপ মুখোপাধ্যায়, নিৰ্বাচনী ব্যয় পৰ্যবেক্ষক শংকৰলাল বাৰ্মা আৰু আৰক্ষী পৰ্যবেক্ষক টি উনিয়েন কিছু আও ডিফু আৱৰ্ত ভৱনত উপস্থিত হৈছে। নিৰ্বাচনকেন্দ্ৰিক অভিযোগ আৰু অনুসন্ধানৰ বাবে তেওঁলোকক যোগাযোগ কৰিব পাৰিব বুলি জানিবলৈ দি বিষয়াকেইগৰাকীয়ে অভিযোগকাৰীক ৬৯০০৫-৭০৯৮৬, ৬৯০০-৭০৬৮১ আৰু ৬৯০০৫-৭১১৬৭ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনায়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে সাত বজাত জয়পুৰত ৰাজস্থান ৰয়েলছ-ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ